**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-10-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। ৰাজ্যৰ বিশিষ্ট ব্যক্তিসকলৰ সৈতে হোৱা বৈঠকত এছ আই টিৰ জুবিন গাৰ্গৰ মৃত্যুৰ সন্দৰ্ভত ৯০ দিনৰ ভিতৰত আদালতত অভিযোগনামা দাখিলৰ আশ্বাস। সদৌ অসম ছাত্ৰ সন্থাৰ শক্তিশালী অভিযোগনামা আদালতত দাখিলৰ দাবী উত্থাপন।

২। বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে আজি নৱ-নিৰ্বাচিত ১২ জন পাৰিষদৰ শপত গ্ৰহণ।

৩। অসম গণ পৰিষদ দলৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপন।

৪। এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল কাইলৈ ঘোষণা।

*আৰু*

৫। ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছৰ হাইজাম্প প্ৰতিযোগিতাত অসমৰ জুবিন গোহাঁইৰ সোণৰ পদক অৰ্জন।

০০০০০০০

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত এছ আই টিয়ে আজি ৰাজ্যৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তিৰ সৈতে কিছু সময় পূৰ্বে বৈঠকত মিলিত হয়। বৈঠকত ডাঃ শুভ্ৰকিংকৰ গোস্বামী, সঞ্জীৱ ফুকন, অতনু ভূঞা, প্ৰাঞ্জল শইকীয়া, ডাঃ হিতেশ বৰুৱা আৰু শিৱাণু বৰা উপস্থিত আছিল। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত আটাইকেইগৰাকী ব্যক্তিয়ে কয়, যে এছ আই টিয়ে তেওঁলোকক তদন্ত প্ৰক্ৰিয়া অগ্ৰগতি সম্পৰ্কে অৱগত কৰে যদিও মৰণোত্তৰ পৰীক্ষা বা তেনে কোনোধৰণৰ গোপনীয় তথ্য তেওঁলোকক প্ৰদান কৰা নাই। ছিংগাপুৰতো সমান্তৰালভাৱে এই ঘটনাৰ তদন্ত চলি থকা বুলি এছ আই টিয়ে অৱগত কৰাৰ কথা তেওঁলোকে উল্লেখ কৰে। দলটোৰ অন্যতম সদস্য, জ্যেষ্ঠ অভিনেতা প্ৰাঞ্জল শইকীয়াই এই বৈঠক সন্দৰ্ভত এইদৰে কয় –

বাইট

উল্লেখযোগ্য যে ১৩ গৰাকী ব্যক্তিক আলোচনাৰ বাবে আমন্ত্ৰণ জনাইছিল যদিও ৭ গৰাকী ব্যক্তিয়ে আমন্ত্ৰণ অস্বীকাৰ কৰি বৈঠকত উপস্থিত থাকিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে। সদৌ অসম ছাত্ৰ সন্থাইও এই আলোচনাত অংশ নলয় বুলি ঘোষণা কৰে। জুবিন গাৰ্গক ন্যায় প্ৰদানৰ দাবীত আজি সংগঠনটোৱে গুৱাহাটী মহানগৰীৰ দীঘলী পুখুৰীৰ পাৰত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই জনতাৰ শিল্পীগৰাকীৰ মৃত্যু ঘটনাৰ তদন্ত পানী নসৰকা হ'ব লাগিব বুলি দাবী তোলে। সংগঠনটোৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই এছ আই টিয়ে আজি আলোচনাৰ বাবে জনোৱা আমন্ত্ৰণ গ্ৰহণ নকৰা সন্দৰ্ভত কয়, যে তদন্তকাৰী সংস্থাই গোচৰ সংক্ৰান্তত আলোচনাৰ বাবে মাতিলে অভিযুক্ত পক্ষৰ অধিবক্তাই আদালতত আইনী সুযোগ উলিয়াব পাৰে। এই অনুসৰি আইনজ্ঞৰ পৰামৰ্শমৰ্মে আলোচনাত অংশগ্ৰহণ নকৰা বুলি তেওঁ প্ৰকাশ কৰে। ড° ভট্টাচাৰ্যই শিল্পীগৰাকীৰ ন্যায় বিচাৰৰ বাবে সংগঠনটোৰ চাৰিটা দাবীৰ কথা উল্লেখ কৰে।

ভইচ

ইপিনে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী অসমীয়াসকলৰ ৭ গৰাকীয়ে এই পৰ্যন্ত অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ আগত ভাষ্য দিছে। আজি অভিমন্যু তালুকদাৰ আৰু তন্ময় ফুকন নামৰ ব্যক্তি দুগৰাকী উলুবাৰীত থকা চি আই ডিৰ কাৰ্যালয়ত হাজিৰ হৈ ভাষ্য প্ৰদান কৰে। আৰক্ষী বিষয়াই দুয়োকে বহু সময় ধৰি সোধা-পোছা কৰে। ইয়াৰ আগেয়ে কালি চাৰিগৰাকী প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জিঅ'লাংছাত নাৰ্জাৰী নামৰ লোক তিনিজনক এছ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। বিয়লি প্ৰবাসী অসমীয়া ভাস্কৰজ্যোতি দত্তই এছ আই টিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়ে। ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতাই এছ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। ছিংগাপুৰ আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে আৰু তেওঁলোকে বিচৰা তথ্য অসম আৰক্ষীয়ে যোগান ধৰিছে বুলি এছ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই প্ৰকাশ কৰে। ইপিনে, নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেনছিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনে তদন্তক নতুন গতি দিছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

ছিংগাপুৰৰ ঘটনাস্থলীৰ জুবিন গাৰ্গৰ অন্তিম সময়ৰ সম্পূৰ্ণ ভিডিঅ' এছ আই টিয়ে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। জুবিন গাৰ্গৰ সহগায়িকা তথা অভিযুক্ত কাৰাবন্দী অমৃত প্ৰভা মহন্তই নিজৰ মোবাইলত আবদ্ধ কৰা এই ভিডিঅ' মচি পেলোৱাৰ পাছত অসম আৰক্ষীৰ তথ্য প্ৰযুক্তি বিশেষজ্ঞই এই ভিডিঅ'সমূহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়।

ooooooooooo

বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে আজি নৱ-নিৰ্বাচিত ১২ জন পাৰিষদে শপত গ্ৰহণ কৰে। কোকৰাঝাৰৰ বড়োফা নগৰত বি টি চি বিধায়িনী সভাৰ সভাকক্ষত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মুকেশ চাহুৱে নৱ-নিৰ্বাচিত কাৰ্যবাহী সদস্যসকলক গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱায়। অনুষ্ঠানত মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, বি টি চিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, বি টি চিৰ বিধায়িনী সভাৰ অধ্যক্ষ ত্ৰিদীপ দৈমাৰী, উপাধ্যক্ষ ৰিহণ দৈমাৰীৰ লগতে পাৰিষদ আৰু শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। কাৰ্যবাহী সদস্য হিচাপে আজি মৃত্যুঞ্জয় নাৰ্জাৰী, মুনমুন ব্ৰহ্ম, ৰবিৰাম নাৰ্জাৰী, দেৰহাছাত বসুমতাৰী, প্ৰকাশ বসুমতাৰী, পানীৰাম ব্ৰহ্ম, বেগম আখতাৰা আহমেদ, ধীৰাজ বৰগয়াৰী, আগাষ্টাছ টিগগা, গণেশ কছাৰী, লামশ্ৰাও দৈমাৰী আৰু ফ্ৰেছ মুছাহাৰীয়ে পাৰিষদ হিচাপে শপত গ্ৰহণ কৰে। প্ৰথমবাৰৰ বাবে দুগৰাকী মহিলাই বি টি চিত পাৰিষদ হিচাপে শপত গ্ৰহণ কৰে। আজি নৱগঠিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বি টি চি পৰিষদৰ কাৰ্যবাহী সদস্যৰ প্ৰথমখন বৈঠক কোকৰাঝাৰৰ বি টি চি সচিবালয়ত অনুষ্ঠিত হয়।

ooooooooooo

অসম গণ পৰিষদ দলৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি উদযাপন কৰা হয়। আজি গুৱাহাটী মহানগৰীৰ আমবাৰীস্থিত অগপৰ মুখ্য কাৰ্যালয়ত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ মূল কাৰ্যসূচীত দলটোৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই পতাকা উত্তোলন কৰে। ৰাজ্যৰ খিলঞ্জীয়া, জাতি, জনগোষ্ঠীসমূহৰ ৰাজনৈতিক, অৰ্থনৈতিক,

সামাজিক আৰু সাংস্কৃতিক সুৰক্ষাৰ বাবে অগপই পৰিকল্পিতভাৱে কাম কৰি যাব বুলি সভাপতি অতুল বৰাই প্ৰকাশ কৰে। জনসাধাৰণৰ হিতাৰ্থে প্ৰতিপল কাম কৰি যোৱাটোৱেই দলটোৰ মূল লক্ষ্য বুলি তেওঁ কয়। অসম আন্দোলনৰ ছহিদসকলৰ ত্যাগ আৰু বীৰত্বক অনুষ্ঠানত শ্ৰদ্ধা জনোৱাৰ লগতে দলটোৰ প্ৰয়াত কৰ্মীসকলকো সোঁৱৰণ কৰা হয়। প্ৰাক্তন মুখ্যমন্ত্ৰী অগপৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰফুল্ল কুমাৰ মহন্তই প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত প্ৰয়াত শিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধা জনাই অগপৰ নেতা-কৰ্মীসকলে ন্যায় কামনা কৰে।

ধেমাজিৰ বিষ্ণুপুৰতো জিলা সমিতিৰ উদ্যোগত অসম গণ পৰিষদৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱসৰ সৈতে সংগতি ৰাখি পতাকা উত্তোলন, ছহিদ তৰ্পণৰ লগতে মুকলি সভা অনুষ্ঠিত হয়। এই কাৰ্যসূচীত প্ৰায় ৪০ গৰাকী বয়োজ্যেষ্ঠ অগপ নেতাক নামঘোষা, চেলেং চাদৰ আৰু গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

বজালী জিলাৰ পাঠশালাতো দলটোৰ ৪১ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। এই দিৱসৰ কাৰ্যসূচীৰ অংশস্বৰূপে পতাকা উত্তোলনৰ পাছত অনুষ্ঠিত সাধাৰণ সভাত ৰাজ্যৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়।

ooooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত গৃহৰক্ষী আৰু নাগৰিক সুৰক্ষা শক্তিশালীকৰণৰ উদ্দেশ্যে এখন বৈঠকত অংশ লয়। ৰাজ্য চৰকাৰে এই বৈঠকৰ জৰিয়তে লাচিত বৰফুকন আৰক্ষী একাডেমীত ৫ হাজাৰ নতুন নিযুক্তক প্ৰশিক্ষণ প্ৰদান কৰি গৃহৰক্ষী আৰু অসামৰিক প্ৰতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, অশোক সিংহলকে ধৰি অন্যান্য বিষয়াসকলৰ উপস্থিতিত লোকসেৱা ভৱনত আন এখন বৈঠকত অংশ লয়। এই বৈঠকত শিক্ষা বিভাগ সম্বন্ধীয় বিষয় পৰ্যালোচনা কৰা হয়। বৈঠকত ২০২৫-২৬ বৰ্ষৰ নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰাৰ লগতে মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তিৰ ফলাফল সন্দৰ্ভত আলোচনা কৰা হয়। চাহ বাগিচা, আদৰ্শ বিদ্যালয়সমূহৰ উদ্বোধনকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয়ক লৈ বৈঠকত পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ২০২৫-২৬ বৰ্ষৰ নিযুত মইনা আঁচনিখন চলিত মাহতে গুৱাহাটীত এটি কেন্দ্ৰীয় অনুষ্ঠানৰ জৰিয়তে শুভাৰম্ভ কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। এই বৈঠকতে মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তিৰ ফলাফল অক্টোবৰ মাহতে ঘোষণা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। ড০ বাণীকান্ত কাকতি মেধা বঁটা আৰু মুখ্যমন্ত্ৰীৰ বিশেষ আঁচনিৰ অধীনত মেধাবী ছাত্ৰীসকলক স্কুটাৰ আৰু চাইকেল অহা ডিচেম্বৰ মাহত প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

oooooo

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি মৰিগাঁও দিৱসৰ দ্বিতীয় দিনা চাৰণ বিলৰ পাৰত পতাকা উত্তোলন কৰে। জিলা প্ৰশাসনৰ উদ্যোগত চাৰণ বিলৰ পাৰত নিৰ্মাণ হ'বলগীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ২৫

ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তিৰ ভূমিপূজন কাৰ্যসূচীতো তেওঁ অংশ লয়। জিলা দিৱস কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি তেওঁ জুবিন গাৰ্গৰ স্মৃতিত ৫০০ জোপা নাহৰ গছ ৰোপণ অভিযানৰো শুভাৰম্ভ কৰে।

**বাইট (পীযূষ হাজৰিকা)**

ঐতিহ্য সংস্কৃতি আৰু সৌন্দৰ্যৰে সমৃদ্ধ মৰিগাঁও জিলাখনক সকলো দিশতে আগুৱাই লৈ যাবলৈ তেওঁ প্ৰতিজন লোককে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনায়।

0000000

কাছাৰ জিলাৰ অতিৰিক্ত ছেছন ন্যায়াধীশে আজি ধৰ্ষণৰ গোচৰত এনামুল হক লস্কৰ নামৰ এজন দোষীক ২০ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত কৰে। উদাৰবন্দৰ দুমুৰঘাটৰ বাসিন্দা এনামুলে যোৱা বৰ্ষৰ ৭ জুনত এগৰাকী নাবালিকাক অপহৰণ কৰি নিৰ্যাতন চলাইছিল। ঘটনাৰ তদন্তৰ অন্তত এনামুলৰ বিৰুদ্ধে আৰক্ষীয়ে আদালতত অভিযোগনামা দাখিল কৰে। এনামুলক দোষী সাব্যস্ত কৰি আদালতে পকছ’ আইনৰ অধীনত এনামূলক ২০ হাজাৰ টকাৰ জৰিমনাসহ ২০ বছৰৰ কাৰাদণ্ডৰে দণ্ডিত কৰে। ভাৰতীয় দণ্ডবিধিৰ ৩৬৩ নম্বৰ ধাৰাত এনামূলক অতিৰিক্ত তিনিবছৰৰ কাৰাদণ্ড আৰু ৫ হাজাৰ টকাৰ জৰিমনা বিহা হয়।

0000000

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল কাইলৈ ঘোষণা কৰা হ’ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি  কয়, যে কাইলৈ দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবছাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ’ব বুলি প্ৰকাশ কৰে। অক্টোবৰৰ ভিতৰত ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ফেচবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। নৱেম্বৰ মাহত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ’ব বুলি তেওঁ উল্লেখ কৰে।

0000000

বঙাইগাঁৱত লোকনিৰ্মাণ বিভাগৰ সহকাৰী অভিযন্তা যোশিতা দাসৰ আত্মহননৰ ঘটনা সন্দৰ্ভত চি বি আয়ে বিভাগটোৰ দুগৰাকী শীৰ্ষ বিষয়া আৰু এজন স্থপতিবিদক গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে লোকনিৰ্মাণ বিভাগৰ বঙাইগাঁও উপ-সংমণ্ডল বিষয়া আমিনুল ইছলাম আৰু বিভাগটোৰ কাৰ্যবাহী অভিযন্তা দীনেশ মেধি শৰ্মাৰ লগতে স্থপতিবিদ দেৱজিৎ শৰ্মাক গ্ৰেপ্তাৰ কৰিছে।

0000000

ৰাজ্য চৰকাৰে ৰাজ্যজুৰি আৰম্ভ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা সেৱা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩9টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল’ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে। এই স্বাস্থ্য শিবিৰ সমূহত ৫০ টাতকৈ অধিক ৰোগৰ পৰীক্ষা বিনামূলীয়াকৈ

কৰা হৈছে। ৰাজ্য চৰকাৰৰ এই স্বাস্থ্য মেলাৰ অংশ হিচাপে বিশ্বনাথ, কাছাৰ, কামৰূপ মহানগৰ, নগাঁও আৰু তিনিচুকীয়াত আজি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিৰ বাবে এই শিবিৰৰ আয়োজন কৰা হৈছে। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে আজি চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হয়। শিবিৰত দুহেজাৰ ৩৩৬ গৰাকী শিশু আৰু কিশোৰ কিশোৰীয়ে বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা বিনামূলীয়া চিকিৎসা লাভ কৰে। ইয়াৰে ১৫৪ গৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে পৰহিলৈ আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত কাইলৈ এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। বিশ্বনাথ জিলাতো সমষ্টি ভিত্তিত আজি মেগা স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। বিশ্বনাথ বাণিজ্য মহাবিদ্যালয় প্ৰাংগণত এই মেগা স্বাস্থ্য শিবিৰৰ আৰম্ভণি কৰা হয়।

নগাঁও চহৰৰ কলঙৰ বাকৰিৰ নেহৰুবালিত আজি এই স্বাস্থ্যশিবিৰ অনুষ্ঠিত হয়। শিবিৰত ভালেসংখ্যক কিশোৰ-কিশোৰী আৰু শিশুৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামূলীয়া ঔষধ বিতৰণ কৰা হয়। সুস্থ অসম গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই কাৰ্যসূচীত ৰাইজৰ অভূতপূৰ্ব সঁহাৰি পৰিলক্ষিত হৈছে।

০০০০০০

ভূৱনেশ্বৰৰ কলিংগ ষ্টেডিয়ামত অনুষ্ঠিত ৰাষ্ট্ৰীয় জুনিয়ৰ এথলেটিকছৰ হাইজাম্প প্ৰতিযোগিতাত অসমৰ জুবিন গোহাঁইয়ে সোণৰ পদক অৰ্জন কৰিছে। ল'ৰাৰ ১৭ বছৰ শাখাত জুবিনে এই সফলতা লাভ কৰে।

০০০০০০০

**সমাপ্ত**